জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৮৮/২০২১**

# কেন্দ্ৰীয় জলশক্তি, খাদ্য সংসাধন দপ্তৰৰ ৰাজ্যিক মন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

**দিছপুৰ, ২৩ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় জলশক্তি, খাদ্য সংসাধন, উদ্যোগ ইত্যাদি দপ্তৰৰ ৰাজ্যিক মন্ত্ৰী প্ৰহ্লাদ সিং পেটেলৰ সৈতে আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আমিনগাঁওস্থিত পৰিদৰ্শন বঙলাত এক পৰ্যালোচনামূলক বৈঠকত মিলিত হয়। বৈঠকত অসমত জলজীৱন আঁচনিৰ ৰূপায়ণৰ বিভিন্ন দিশ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে পৰ্যালোচনা কৰে। আনহাতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অসমত খাদ্য সংসাধন উদ্যোগৰ সম্ভাৱনীয়তা সম্পৰ্কেও মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা কৰে। বৈঠকত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমত জলজীৱন আঁচনিখন ৰূপায়ণৰ দিশত ৰাজ্য চৰকাৰে ইতিমধ্যে অগ্ৰাধিকাৰৰ ভিত্তিত পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত উপায়ুক্তসকলক কৰ্তৃত্ব প্ৰদান কৰাৰ লগতে প্ৰতিমাহে উপায়ুক্তসকলৰ সৈতে কামৰ অগ্ৰগতি পৰ্যালোচনা কৰা হৈছে বুলিও তেওঁ কয়। চলিত বৰ্ষত ২২ লাখ পৰিয়াললৈ নলযোগে পানী যোগানৰ বাবে লক্ষ্য নিৰ্দ্ধাৰণ কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে ৮০০ খন চাহ বাগিচাত আঁচনিখন ৰূপায়ণৰ বাবে তৎপৰতাৰে পদক্ষেপ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে প্ৰকল্পসমূহত যাতে গুণগত মান অটুত থাকে সেই দিশতো গুৰুত্ব আৰোপ কৰা হৈছে বুলি কয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে বিভাগীয় পৰ্যায়তো সমিতি গঠন কৰি আঁচনিখনৰ ৰূপায়ণ ফলপ্ৰসূ কৰাৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ শীৰ্ষ বিষয়াসকলক নিৰ্দেশ দিয়ে।

বৈঠকত ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জলজীৱন আঁচনিৰ অধীনত নতুন প্ৰকল্পসমূহ অতিশীঘ্ৰে অনুমোদন জনোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ অংগনৱাড়ী কেন্দ্ৰ আৰু বিদ্যালয়সমূহত আঁচনিখনৰ জৰিয়তে পানীযোগান সুনিশ্চিত কৰিবৰ বাবেও বিষয়াসকলক নিৰ্দেশ দিয়ে।

বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্য সচিব চৈয়দ্দিন আব্বাচিয়ে আঁচনিখন ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সম্পৰ্কে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। আজিৰ এই বৈঠকতে ৰাজ্যখনত খাদ্য সংসাধন উদ্যোগ গঢ়ি তোলাৰ সম্ভাৱনীয়তাৰ দিশসমূহো পৰ্যালোচনা কৰা হয়। পি এম এফ এম ই আঁচনিখনৰ সম্পৰ্কতো আলোচনা কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ক্ষুদ্ৰ ফুড পাৰ্ক স্থাপনৰ দিশত কেন্দ্ৰীয় চৰকাৰে সকলোধৰণৰ সহযোগিতা আগবঢ়াব বুলি কয়।

আজিৰ এই বৈঠকত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**পুঃডেঃ**
**২৩-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in